**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-02-2026 **Time :** 1910 Hrs.

***Assamese Evening Bulletin***
***HEADLINES***
***000000***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী দুদিনীয়া ভ্ৰমণসূচীৰে আজি বিয়লি ইজৰাইলৰ তেল আভিভত উপস্থিত হয়।

২। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে থলুৱা প্ৰতিৰক্ষা উদ্যোগৰ সামৰ্থ্য বৃদ্ধিৰ লগতে আত্মনিৰ্ভৰ ভাৰতৰ অধীনত থলুৱা সামগ্ৰীৰ ৰপ্তানি বৃদ্ধিৰ বাবে চৰকাৰ সংকল্পবদ্ধ বুলি মন্তব্য কৰে।

৩। কেন্দ্ৰীয় মন্ত্ৰী এইছ ডি কুমাৰাস্বামীয়ে কৈছে যে চলিত বৰ্ষৰ ফেব্ৰুৱাৰীৰ এতিয়ালৈকে পি এম ই-ড্ৰাইভ আঁচনিৰ অধীনত ২৮ লাখৰো অধিক বৈদ্যুতিক বাহন বিক্ৰী হৈছে।

৪। আয়ুষ্ব মন্ত্ৰালয়ে যোগৰ ক্ষেত্ৰত অধিক অংশগ্ৰহণ, উদ্ভাৱন আৰু নেতৃত্বক উৎসাহিত কৰাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰধানমন্ত্ৰী যোগ বঁটা ২০২৬ৰ বাবে আবেদন আহ্বান কৰিছে।

আৰু

৫। আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ-টুৰ চুপাৰ এইট পৰ্যায়ৰ এখন খেলত শ্ৰীলংকা নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী দুদিনীয়া ভ্ৰমণসূচীৰে আজি বিয়লি ইজৰাইলৰ তেল আভিভত উপস্থিত হয়। তেল আভিভত উপস্থিত হোৱাৰ পাছত প্ৰধানমন্ত্ৰী মোদীক আনুষ্ঠানিকভাৱে সম্ভাষণ জনোৱা হয়। ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহু আৰু তেওঁৰ পত্নী চাৰা নেতান্যাহুৱে প্ৰধানমন্ত্ৰী মোদীক বিমান বন্দৰত আদৰণি জনায়। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে দেশখনত উপস্থিত হোৱাৰ পাছত তেওঁক সম্ভাষণ জনোৱাৰ বাবে দেশখনৰ প্ৰধানমন্ত্ৰী আৰু তেওঁৰ পত্নীক কৃতজ্ঞতা জনায়। তেওঁ লগতে দেশ দুখনৰ মাজৰ আলোচনা ফলপ্ৰসূ হৈ দুয়োখন দেশৰ মাজৰ সম্বন্ধ অধিক সুদৃঢ় হ'ব বুলি আশা প্ৰকাশ কৰে।

এয়া প্ৰধানমন্ত্ৰী মোদীৰ দ্বিতীয় ইজৰাইল ভ্ৰমণ। ভ্ৰমণকালত প্ৰধানমন্ত্ৰী মোদী আৰু ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহুৱে ভাৰত-ইজৰাইল কৌশলগত সহযোগিতা অগ্ৰগতিৰ পৰ্যালোচনা কৰিব। তেওঁলোকে লগতে বিজ্ঞান আৰু প্ৰযুক্তি, উদ্ভাৱন, প্ৰতিৰক্ষা আৰু সুৰক্ষা, কৃষি, জলব্যৱস্থাপনা, বাণিজ্য-অৰ্থনীতি আৰু জনসাধাৰণৰ মাজৰ সম্পৰ্কক ধৰি বিভিন্ন ক্ষেত্ৰত সহযোগিতাৰ সুযোগ সম্পৰ্কে আলোচনা কৰিব। প্ৰধানমন্ত্ৰীদ্বয়ে পাৰস্পৰিক স্বাৰ্থজড়িত বিভিন্ন আঞ্চলিক আৰু গোলকীয় বিষয় লৈও মত বিনিময় কৰিব। ইজৰাইলত ভাৰতৰ ৰাষ্ট্ৰদূত জে পি সিঙে আমাৰ সংবাদদাতাৰ আগত প্ৰকাশ কৰা মতে প্ৰধানমন্ত্ৰী মোদীয়ে আজি ইজৰাইলৰ সাংসদ কেনছেটক উদ্দেশি ভাষণ দিব। শ্ৰীমোদীয়ে কাইলৈ ইজৰাইলৰ ৰাষ্ট্ৰপতি ইছহাক হৰ্জোগক সাক্ষাৎ কৰিব।

ইজৰাইললৈ বুলি ৰাওনা হোৱাৰ পূৰ্বে দিয়া এটা বিবৃতিত প্ৰধানমন্ত্ৰী মোদীয়ে তেওঁৰ এই দুদিনীয়া ভ্ৰমণে উভয় দেশৰ মাজৰ সম্পৰ্কৰ এনাজৰী অধিক সুদৃঢ় কৰিব বুলি আশা প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীয়ে কয়, যে এই ভ্ৰমণে কৌশলগত সহযোগিতাৰ নতুন লক্ষ্য নিৰ্ধাৰণ আৰু উভয় দেশৰ বাবে বহনক্ষম, উদ্ভাৱনমুখী আৰু সমৃদ্ধিশালী ভৱিষ্যতৰ দৃষ্টিভংগী আগুৱাই নিয়াত সহায় কৰিব। তেওঁ কয়, যে ভাৰত আৰু ইজৰাইলৰ মাজত শক্তিশালী আৰু বহুমুখী কৌশলগত সম্পৰ্ক আছে আৰু বিগত কেইটামান বছৰত এই সম্পৰ্ক অধিক গতিশীল হৈ উঠিছে। শ্ৰী মোদীয়ে কয়, যে তেওঁ ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেটান্যাহুৰ সৈতে হ'বলগীয়া আলোচনালৈ আগ্ৰহেৰে বাট চাই আছে। এই আলোচনাত বিভিন্ন ক্ষেত্ৰত উভয় দেশৰ মাজৰ সহযোগিতা অধিক সুদৃঢ় কৰাত গুৰুত্ব আৰোপ কৰা হ'ব বুলি তেওঁ মন্তব্য কৰে।

ইপিনে, বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণে দুয়োদেশৰ মাজৰ পুৰণি কৌশলগত সহযোগিতা অধিক গভীৰ কৰি তুলিব আৰু উমৈহতীয়া প্ৰত্যাহ্বানসমূহৰ পৰ্যালোচনাৰ সুযোগ প্ৰদান কৰিব। এই ভ্ৰমণে উমৈহতীয়া দৃষ্টিভংগী বিষয়ক প্ৰচেষ্টা অধিক শক্তিশালী কৰাৰ সুযোগ প্ৰদান কৰিব বুলিও মন্তব্য কৰিছে।

০০০০০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি সজোৰে কৈছে যে থলুৱা প্ৰতিৰক্ষা উদ্যোগৰ সামৰ্থ্য বৃদ্ধিৰ লগতে আত্মনিৰ্ভৰ ভাৰতৰ অধীনত থলুৱা সামগ্ৰীৰ ৰপ্তানি বৃদ্ধিৰ বাবে কেন্দ্ৰীয় চৰকাৰ দৃঢ় সংকল্পবদ্ধ। আত্মনিৰ্ভৰ ভাৰতৰ ক্ষেত্ৰত দেশৰ কূটনীতিবিদসকলে এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে বুলি তেওঁ প্ৰকাশ কৰে। নতুন দিল্লীৰ ছাউথ ব্লকত ভাৰতৰ বৈদেশিক সেৱাৰ নতুন প্ৰশিক্ষণপ্ৰাপ্ত বিষয়াসকলক সম্বোধন কৰি শ্ৰীসিঙে কয় যে প্ৰতিৰক্ষা সা-সঁজুলিৰ ব্যাপক হাৰত আমদানি কৰা ভাৰত এতিয়া প্ৰতিৰক্ষা সামগ্ৰীৰ উৎপাদন আৰু প্ৰতিৰক্ষাৰ সকলো ক্ষেত্ৰতে ৰপ্তানিকাৰী দেশ হিচাপে পৰিগণিত হৈছে। তেওঁ লগতে কয় যে বিশ্বৰ বিভিন্ন প্ৰান্তত থকা ভাৰতীয় সম্প্ৰদায়ে দেশৰ বিকাশৰ গাঁথাক সুক্ষ্মভাৱে নিৰীক্ষণ কৰিছে আৰু এই ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰিছে। শ্ৰীসিঙে দেশৰ জ্ঞানৰ সভ্যতাৰ সকলো ধৰণৰ প্ৰমূল্যৰে নতুন ধাৰণাৰে আগবাঢ়ি যাবলৈ বিষয়াসকলৰ প্ৰতি আহ্বান জনায়।

০০০০০০০০০

সংস্কৃতি মন্ত্ৰালয়ে ভাৰতীয় বাণিজ্য আৰু উদ্যোগ সংঘৰ সৈতে দেশৰ সংস্কৃতি আৰু সৃষ্টিশীল অৰ্থনীতিৰে এটা উমৈহতীয়া কৌশল গ্ৰহণ কৰাৰ বাবে এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত কেন্দ্ৰীয় সংস্কৃতি আৰু পৰ্যটন মন্ত্ৰী গজেন্দ্ৰ সিং শ্বেখাৱাটে কয় যে দেশৰ অৰ্থনৈতিক সমৃদ্ধিৰ বুনিয়াদ নিৰ্মাণৰ ক্ষেত্ৰত এই চুক্তি এটা গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে বিবেচিত হৈছে। তেওঁ লগতে কয় যে এই চুক্তিয়ে দেশৰ শিল্পী আৰু হস্তশিল্পীসকলৰ উজ্জ্বল ভৱিষ্যৎ নিশ্চিত কৰাৰ ক্ষেত্ৰত সহায় কৰিব। তেওঁ কয় যে দেশৰ সংস্কৃতিৰ লগত জড়িত সামগ্ৰী আৰু সেৱাক গোলকীয় পৰ্যায়ত স্বীকৃতি দিয়াৰ ক্ষেত্ৰত এই চুক্তিয়ে এটা বিশেষ ভূমিকা পালন কৰিব।

০০০০০০০০০

কেন্দ্ৰীয় গুৰু উদ্যোগ মন্ত্ৰী এইছ ডি কুমাৰাস্বামীয়ে আজি কৈছে যে চলিত বৰ্ষৰ ফেব্ৰুৱাৰীৰ এতিয়ালৈকে পি এম ই-ড্ৰাইভ আঁচনিৰ অধীনত ২৮ লাখৰো অধিক বৈদ্যুতিক বাহন বিক্ৰী হৈছে। নতুন দিল্লীত ভাৰতীয় বাণিজ্য আৰু উদ্যোগ সংঘৰ তৃতীয় বৈদ্যুতিক বাহন সন্মিলনক সম্বোধন কৰি তেওঁ এই কথা প্ৰকাশ কৰে। তেওঁ লগতে কয় যে বিক্ৰী হোৱা বাহনৰ ভিতৰত ২০ লাখৰো অধিক বাহন দুচকীয়া আৰু প্ৰায় ৩ লাখ বাহন তিনিচকীয়া। সমগ্ৰ দেশৰ

বৃহৎ মহানগৰসমূহত ৰাজহুৱা পৰিবহনৰ বাবে এই আঁচনিৰ অধীনত ১৪ হাজাৰৰো অধিক বৈদ্যুতিক বাছ প্ৰদান কৰা হৈছে। বৈদ্যুতিক বাহনৰ ফলত বায়ুৰ মান উন্নত হোৱাৰ লগতে এই বাহনৰ থলুৱা উৎপাদন ধাৰাবাহিকভাৱে বৃদ্ধি হৈছে। ইউৰোপীয় সংঘৰ সৈতে ভাৰতৰ মুক্ত বাণিজ্য চুক্তি সম্পাদন হোৱাৰ ফলত অষ্ট্ৰেলিয়া আৰু সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰৰ সৈতে বৈদ্যুতিক বাহন আৰু ইয়াৰ সা-সৰঞ্জামৰ ক্ষেত্ৰত এটা নতুন পথ মুকলি হৈছে।

ooooooooo

আয়ুশ্ব মন্ত্ৰালয়ে যোগৰ ক্ষেত্ৰত অধিক অংশগ্ৰহণ, উদ্ভাৱন আৰু নেতৃত্বক উৎসাহিত কৰাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰধানমন্ত্ৰী যোগ বঁটা ২০২৬ৰ বাবে আবেদন আহ্বান কৰিছে। মন্ত্ৰালয়ে জানিবলৈ দিছে যে ব্যক্তিগত আৰু প্ৰতিষ্ঠানগত দুটা শিতানত এই বঁটা প্ৰদান কৰা হ'ব। দুয়োটা শিতানৰ বিজয়ীসকলে বঁটা, প্ৰমাণ পত্ৰ আৰু নগদ ২৫ লাখ টকাকৈ লাভ কৰিব। ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত যোগৰ প্ৰসাৰ আৰু এই ক্ষেত্ৰত আগবঢ়োৱা উল্লেখযোগ্য অৱদানৰ স্বীকৃতিস্বৰূপে এই বঁটা প্ৰদান কৰা হয়। অহা ২১ মাৰ্চৰ ভিতৰত আবেদনৰ বাবে অন্তিম তাৰিখ ধাৰ্য কৰা হৈছে। ৰাষ্ট্ৰীয় বঁটা পোৰ্টেলৰ জৰিয়তে যোগ্য ব্যক্তিগত আৰু প্ৰতিষ্ঠানসমূহে ইয়াৰ বাবে আবেদন কৰিব পাৰিব।

ooooooooo

দেশৰ নিৰ্বাচন আয়োগ আৰু ৰাজ্যিক নিৰ্বাচনী আয়ুক্তসকলে পঞ্চায়ত, বিভিন্ন নিগম নিকায়ৰ লগতে লোকসভা আৰু বিধানসভা নিৰ্বাচনৰ লগত জড়িত আইনৰ সমন্বয় সাধন কৰাৰ বাবে একেলগে কাম কৰিব। নতুন দিল্লীত কালি নিৰ্বাচন আয়োগ আৰু ৰাজ্যিক নিৰ্বাচন আয়ুক্তসকলৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ ঘূৰণীয়া মেজমেলত সৰ্বসন্মতিক্ৰমে গৃহীত হোৱা ৰাষ্ট্ৰীয় ঘোষণাপত্ৰ ২০২৬ত এই কথা সন্নিৱিষ্ট হয়। মুক্ত, নিকা আৰু সুচাৰুৰূপে নিৰ্বাচন অনুষ্ঠিত কৰি গণতান্ত্ৰিক প্ৰতিষ্ঠানসমূহ সুদৃঢ় কৰাৰ ক্ষেত্ৰত এই ঘোষণাপত্ৰই বিশেষ সহায় কৰিব। নিৰ্বাচন আয়োগে এটা বিজ্ঞপ্তিযোগে জানিবলৈ দিছে যে ৰাষ্ট্ৰীয় আৰু সাংবিধানিক স্বাৰ্থ সুৰক্ষিত কৰাৰ ক্ষেত্ৰত পাৰস্পৰিকভাৱে গ্ৰহণযোগ্য এটা পৰিকাঠামো গঢ়ি তোলাৰ প্ৰস্তাৱ দিয়া হয়।

ooooooooo

আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি কলম্বোৰ আৰ প্ৰেমাদাছা ষ্টেডিয়ামত গ্ৰুপ-টুৰ ছুপাৰ এইট পৰ্যায়ৰ এখন খেলত শ্ৰীলংকা নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। টছত জিকি শ্ৰীলংকাই নিউজিলেণ্ডক প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ জনায়। এই বাতৰি যুগুতোৱাৰ পৰলৈকে নিউজিলেণ্ডে ২ অভাৰত ২৩ ৰাণ সংগ্ৰহ কৰিছে।

ইপিনে, ইংলেণ্ডে যোৱা নিশা ছুপাৰ এইট পৰ্যায়ৰ এখন খেলত পাকিস্তানক ২ উইকেটত পৰাস্ত কৰি প্ৰথমটো দল হিচাপে প্ৰতিযোগিতাৰ ছেমি ফাইনেলত প্ৰৱেশ কৰে।

ooooooooo

নাগালেণ্ডত কাইলৈৰ পৰা তিনিদিনীয়াকৈ উত্তৰ পূব বসন্ত উৎসৱ ২০২৬ আৰম্ভ হ'ব। ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰালয়ৰ তত্বাৱধানত উত্তৰ-পূব মণ্ডল সাংস্কৃতিক কেন্দ্ৰ ডিমাপুৰৰ সহযোগত আৰু নাগপুৰৰ দক্ষিণ মধ্য মণ্ডল সাংস্কৃতিক কেন্দ্ৰৰ সহযোগত এই মহোৎসৱৰ আয়োজন কৰা হৈছে। এই উৎসৱৰ উদ্দেশ্য হৈছে উত্তৰ-পূব সীমান্তৰ সমৃদ্ধি লোকসংস্কৃতি আৰু জনজাতীয় সংস্কৃতিক সম্পদৰ সংৰক্ষণ আৰু সুৰক্ষা কৰাৰ লগতে পৰম্পৰাগত শিল্পীসকলৰ বাবে এখন ৰাষ্ট্ৰীয় মঞ্চ প্ৰদান কৰা।

ooooooooo

কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা পীয়ুষ গোৱেলে কংগ্ৰেছ নেতা ৰাহুল গান্ধীক ৰাষ্ট্ৰৰ স্বাৰ্থৰ সৈতে আপোচ কৰা বুলি অভিযোগ উত্থাপন কৰিছে। নতুন দিল্লীত এখন সংবাদ মেলত শ্ৰীগোৱেলে অভিযোগ উত্থাপন কৰে। তেওঁ লগতে কয় যে প্ৰধানমন্ত্ৰী মোদীৰ বৰ্ধিত জনপ্ৰিয়তা আৰু গোলকীয় পৰ্যায়ত ভাৰতৰ আধিপত্য কংগ্ৰেছে সহ্য কৰিব নোৱাৰে।

০০০০০০০

সমাপ্ত